**ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ (আই.এফ.এ.)**

**India Foundation for the Arts (IFA)ৰ**

তৰফৰ পৰা

**কলা অনুশীলন কাৰ্য্যসূচীৰ** অধীনত

**অন্বেষণ (Explorations)ৰ**

আবেদন বিচাৰি আহ্বান

আবেদন দাখিলৰ অন্তিম তাৰিখ : ১৫ এপ্ৰিল, ২০২৫

**(Deadline: April 15, 2025)**

কলা অনুশীলন (Arts Practice) কাৰ্য্যসূচীৰ অধীনত এনে কিছুমান প্ৰকল্প ৰূপায়ণৰ চেষ্টা কৰা হয়, যিয়ে শিল্পীক তেওঁৰ শিল্পৰ পৰিসৰ অতিক্ৰমি ন ন দিশ উন্মোচনত সহায় কৰিব পাৰে। ইয়ে প্ৰচলিত শিল্পৰীতিৰ ওপৰত প্ৰশ্ন উদ্ৰেককাৰী কৌতুহল সৃষ্টিৰ লগতে বিষয়বস্তু, সংৰচনা আৰু মাধ্যমক লৈ নতুন ভাব-চিন্তাৰ উন্মেষ ঘটাব পাৰে। স্থান, দৰ্শক আৰু বিভিন্ন সম্প্ৰদায়ৰ সৈতে জড়িত হোৱাৰ নতুন সাধন প্ৰণালী (modes of engagement)ৰো ই উদঘাটন কৰিব পাৰে। তদুপৰি শিল্পকৰ্মৰ ক্ষেত্ৰত সম্পৰীক্ষামূলক মেজাজো সৃষ্টি কৰিব পাৰে।

*এজন কুইয়াৰ আৰু নিউৰ'ডাইভাৰ্জেন্ট শিল্পীয়ে লিপিবদ্ধ কৰিছে কেনেকৈ কুইয়াৰ ট্ৰান্স লোকে নিজৰ মনৰ ভাব ব্যক্ত কৰে*

*এজন আলোকচিত্ৰ শিল্পী যিজন এজন কবিও, তেওঁ প্ৰকৃতি উপাসনাৰ ৰূপকথামূলক জগতখন উদঘাটন কৰিবলৈ চেষ্টা কৰিব*

*দুজন চলচ্চিত্ৰ নিৰ্মাতাই ডাইনী বিষয়ক চিনেমা এখন নিৰ্মাণ কৰিবলৈ যাওতে এক সামূহিক পৰীক্ষামূলক কাহিনী কথনৰ মৌলিক শব্দাৱলীৰ ক্ষেত্ৰত প্ৰযোজ্য শৈলীৰ অন্বেষণৰ চেষ্টা কৰিব*

শিল্পী হিচাপে আমি কেতিয়াবা কোনো এটা ভাব বা চিন্তাত হঠাতে নভবাকৈয়ে মগ্ন হৈ পৰোঁ বা এক নব্য আৰু ৰোমাঞ্চকৰ দিশে আগবঢ়াৰ প্ৰবল ইচ্ছা কেতিয়াবা আমাৰ মাজত জাগি উঠে। কিন্তু আমাৰ যি শৈল্পিক অনুশীলন, তাৰ পৃষ্ঠভূমি আৰু আনুষংগিক কথাসমূহলৈ চাই এনে শৈল্পিক ভাব-চিন্তাৰ অন্বেষণ অস্থায়ী আৰু অনিশ্চিত যেন লাগে। এনে অন্বেষণে আমাক ক'লৈ লৈ যাব, সেইবিষয়ে আমি সেই সময়ত একোৱেই নাজানিব পাৰোঁ। তথাপি আমি সেই দিশত আগবাঢ়ি যোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰোঁ। এনে সময়ত সামান্য সমৰ্থন সহায়ক হ'ব পাৰে।

কলা অনুশীলন (Arts Practice) কাৰ্য্যসূচীৰ অধীনত আমি অন্বেষণমূলক প্ৰকল্প প্ৰস্তাৱ বিচাৰিছো যিটোৱে সদ্যজাত, বিপদাশংকা যুক্ত বা নজিৰবিহীন ধাৰণাৰ অনুসন্ধান কৰে আৰু তাৰ সৈতে সম্পৰীক্ষা চলায়। আৱশ্যক নহয় যে ই কোনো ফলাফলৰ দিশে গতি কৰিব। এনে অন্বেষণত গৱেষণা, চিত্ৰনাট্য লিখা, ল'কেচন স্কাউটিং,

এনিমেটিকচ্, জেমিং, ষ্ট'ৰিব'ৰ্ডিং, ৰিহাৰ্ছিং, চেম্পলিং ৰবটিকচ্, গৱেষণাগাৰত কৰা অন্বেষণ আৰু আন আন অন্বেষণমূলক কাৰ্য্যকলাপ অন্তৰ্ভুক্ত থাকিব পাৰে যিটোৱে ধাৰণাৰ সম্পৰীক্ষা কৰিব।

**প্ৰকল্পৰ সময়সীমা :** ১৮ (18) মাহলৈ

**বাজেট :** সৰ্বাধিক ১,০০,০০০/- (1,00,000/-) টকা পৰ্যন্ত বাজেট কৰিব পাৰে

**আবেদন দাখিলৰ অন্তিম তাৰিখ :** ১৫ এপ্ৰিল, ২০২৫ (April 15, 2025)

**কোনে আবেদন কৰিব পাৰিব ?**

এই কাৰ্য্যক্ৰম শিল্পকলাৰ সৈতে জড়িত বিষয়ৰ লগতে আন বিভিন্ন বিষয়ৰ গৱেষক, বিদ্বান আৰু পেচাজীৱিৰ বাবে মুকলি। এই কাৰ্য্যক্ৰমত নিম্নোক্ত ক্ষেত্ৰসমূহত কাম কৰা ব্যক্তিয়ে ভাগ ল'ব পাৰিব:

- সংগীত, শব্দ, টেক্সট্, নৃত্য, মুভমেণ্ট, থিয়েটাৰ, পুতলা নাচ, কাহিনীকথন, যাদু, চাৰ্কাচ আৰু আন পৰিৱেশ্য কলাৰ সৈতে জড়িত শিল্পীসকল
- চলচ্চিত্ৰ (তথ্যচিত্ৰ আৰু কথাশিল্প), এনিমেচন, আলোকচিত্ৰ, ইনষ্টলেচন, নিউ মিডিয়া, সৃষ্টিশীল ক'ডিং, কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিকচ্, ইণ্টাৰেক্টিভ শিল্প, গেমিং/কনচেপ্ট আৰ্ট, চিত্ৰশিল্প, ভাস্কৰ্য্যশিল্প, প্ৰিণ্টমেকিং, কমিক বুক, গ্ৰাফিক নেৰেটিভ, আৰ্টিষ্ট বুক আদিকে ধৰি আন আন দৃশ্যকলাৰ সৈতে জড়িত শিল্পীসকল
- কিউৰেটৰসকল, বিশেষকৈ বীথিকা প্ৰসংগৰ বাহিৰত কাম কৰি থকাসকল
- সাহিত্য কলাত নিয়োজিত কবি, ঔপন্যাসিক, ছুটি কল্প-কাহিনী লিখক, নাট্যকাৰ, চলচ্চিত্ৰৰ চিত্ৰনাট্যকাৰ, কমিকচ্ লিখক, গেম লিখক, সৃষ্টিশীল অকাল্পনিক বিষয়বস্তু-ভিত্তিক ৰচনাকাৰ,
- আন্তঃবৈষয়িক কামৰ সৈতে জড়িত অনুশীলনকাৰী শিল্পীসকল

**যোগ্যতা :**

যদিহে আপুনি ভাৰতীয় নাগৰিক, তেন্তে আপুনি আবেদন কৰিব পাৰিব। আপোনাৰ সহযোগীসকলো ভাৰতীয় নাগৰিক হ'ব লাগিব। (অধিক তথ্যৰ বাবে ইয়াত ক্লিক কৰক)।

**আবেদন দাখিল :**

- আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত প্ৰস্তাৱ লিখিব পাৰিব। ইংৰাজীৰ বাহিৰেও অন্যান্য ভাৰতীয় ভাষাত প্ৰকল্প দাখিল কৰাত আই.এফ.এ. (IFA)-য়ে উৎসাহ যোগায়।

**নিম্নোক্ত বিৱৰণসহ আপোনাৰ প্ৰস্তাৱ আমালৈ পঠিয়াওক:**

- আপুনি ইতিমধ্যে অনুশীলন কৰি থকা শিল্প আৰু শিল্পী হিচাপে সেই লৈ আপুনি কৰা চিন্তা-চৰ্চা আৰু আপোনাৰ আগ্ৰহ
- আপুনি অন্বেষণ কৰিব খোজা বিষয়ৰ বিৱৰণ আৰু তাৰ যুক্তিযুক্ততা
- সময়সীমা (timeline) আৰু বাজেটৰ সবিশেষ
- আপুনি পূৰ্বতে অনুশীলন কৰা শিল্পকৰ্মৰ নমুনা
- আপোনাৰ সম্পূৰ্ণ ঠিকনা, ফোন নং আৰু ইমেইল আইডিৰ সৈতে অৰ্হতাপত্ৰ (CV)
- আবেদন দাখিলৰ পূৰ্বে আপুনি লিখিত, দৃশ্য বা শ্ৰাব্য ফৰ্মেটত আপোনাৰ আবেদনৰ খচৰা পৰিকল্পনা আমালৈ পঠিয়াব পাৰে নাইবা প্ৰকল্প সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে, সুধিব পাৰে। আমাৰ আই.এফ.এ. কৰ্মচাৰীয়ে ২০২৫ৰ ০৭ এপ্ৰিললৈ আপোনাক এই সন্দৰ্ভত সঁহাৰি দিব পাৰিব।
- আপুনি আপোনাৰ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱ ১৫ এপ্ৰিল, ২০২৫ (April 15, 2025)ৰ ভিতৰত বা তাৰ আগতে কলা অনুশীলনৰ কাৰ্য্যসূচী বিষয়া জন জেভিয়াৰক john@indiaifa.org ইমেইল ঠিকনাত এটামাত্ৰ মেইলতে অনলাইন জমা দিব আৰু ফাইলৰ আকাৰ ২৫ (25) এম.বি.তকৈ অধিক হ'ব নালাগিব। মেইলৰ চাবজেক্ট লাইনত লিখিব: অন্বেষণ (Explorations)ৰ প্ৰকল্প প্ৰস্তাৱ (কলা অনুশীলন)।

প্ৰকল্পৰ প্ৰস্তাৱ সন্দৰ্ভত কিবা বুজি নাপালে বা সুধিবলগীয়া থাকিলে অনুগ্ৰহ কৰি john@indiaifa.org লৈ লিখক।

**নিৰ্বাচন প্ৰক্ৰিয়া :**

বিবেচিত প্ৰস্তাৱসমূহৰ মূল্যায়ন বাহ্যিক পেনেলে কৰিব আৰু আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিবলগীয়া হ'ব পাৰে। ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্পসমূহ ২০২৫ (২০২5) চনৰ আগষ্ট মাহত ঘোষণা কৰা হ'ব।

***নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়ণ কৰা হ'ব।***

অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৰে সমান সমৰ্থন, সন্মান আৰু সুৰক্ষা লাভ কৰিৰ পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।